কল্পনা (Imagination)

কল্পনাৰ সৰ্বজনসন্মত সংজ্ঞা নিৰ্দিষ্ট কৰা টান, কিন্তু ই যে এক সৃষ্টিপ্ৰতিভাবিশেষ, সেই বিষয়ে কাৰো মতদ্বৈধ নাই। অৱশ্যে ইয়াৰ পৰিসৰৰ ব্যাপকতা আৰু শক্তি, অৰ্থাৎ কল্পনাৰ ক্ৰিয়া শিল্পীৰ অভিজ্ঞতাৰ মাজতে সীমাবদ্ধ, নে প্ৰত্যক্ষ অভিজ্ঞতাৰ অতীত এখন জগততো ই ক্ৰিয়াশীল, সেই সম্বন্ধে মতদ্বৈধ আছে।

বহুতৰ মতে অপূৰ্ব বস্তু নিৰ্মাণক্ষম প্ৰতিভাই কল্পনা। এই প্ৰতিভাৰে কবিয়ে যি অসৎ অৰ্থাৎ বাস্তৱদৃষ্টিত অস্তিত্বহীন, তাক বাস্তৱৰ ৰূপ পৰিগ্ৰহ কৰায় বা দুই আপাত-বিপৰীত বস্তু বা ভাবৰ মাজত গূঢ় সম্বন্ধ আৱিষ্কাৰ কৰে, আকৌ কেতিয়াবা পৰিদৃশ্যমান জগতখনকে এনেভাৱে সজাই-পৰাই তোলে যে নতুনত্বৰ পৰশ লগাৰ দৰে সি মনোৰম হয়। অলৌকিক আৰু আনন্দময়ী অভিব্যঞ্জনাৰ সৃষ্টি কল্পনাৰ মুখ্য কাৰ্য্য। ক্ষীৰসাগৰ, স্বৰ্ণশৃংগ আদি অননুভূত বিষয় কল্পনাৰদ্বাৰাইহে অনুভৱগম্য হয়। কল্পনাক যুক্তিৰ বিৰোধী বুলিও বহুতে গণ্য কৰে। তলৰ বিখ্যাত উদ্ধৃতিকেইটাই কল্পনাৰ প্ৰকৃতি আৰু কাৰ্য্য সম্বন্ধে কিছু আভাস দিব :

লংগিনাছৰ (Longinus) মতে 'প্ৰবল চিত্তচাঞ্চল্যৰ মুহূৰ্তত (লেখকৰ) বক্তব্য বিষয়ে (তেওঁৰ বাবে) প্ৰায় প্ৰত্যক্ষ ৰূপ পৰিগ্ৰহ কৰে (আৰু যি মানসিক প্ৰক্ৰিয়াৰদ্বাৰা এনে ব্যাপাৰ সম্ভৱ হয় সেয়ে কল্পনা শক্তি')—(সংক্ষিপ্ত ভাবানুবাদ) ('The name imagination is commonly applied to any idea that enters the mind and produces speech, but the meaning that prevails is the one I employ, namely that in your enthusiasm and strong feeling you seem to see what you speak of and put it before the eyes of your audience.'—On the Sublime)

ছেক্সপিয়েৰৰ মতে, 'কল্পনাই অজ্ঞাত বিষয়ৰ ৰূপ মূৰ্ত কৰে' ('……as imagination bodies forth/the forms of things unknown. —'Midsummer Night's Dream.)

ড্ৰাইডেনে 'Annus Mirabilis'অৰ ভূমিকাত কল্পনাক witঅৰ সমাৰ্থক বুলি কৈ লিখিছিল, 'Faculty of imagination which searches over all the memory for the species or ideas of those things which it designs to represent.' ক'লৰিজৰ মতে, কল্পনা হ'ল 'সেই সমন্বয়সাধক মোহিনী শক্তি, যি পৰস্পৰ-বিৰোধী বা অসমঞ্জস প্ৰকৃতিৰ মাজত, মূৰ্তৰ লগত বিমূৰ্তৰ, ঐক্যৰ লগত অনৈক্যৰ, অভিনৱত্বৰ লগত প্ৰাচীনতাৰ, স্বাভাৱিকতাৰ লগত অস্বাভাৱিকতাৰ……সমতা স্থাপন কৰে' (সংক্ষিপ্ত ভাবানুবাদ) ( that synthetic and magical power, to which we have exclusively appropriated the name imagination…') ।

ক'লৰিজে কল্পনা আৰু অকল্পনাৰ (Imagination আৰু Fancy) মাজত পাৰ্থক্য ক'ত সেই কথাৰো নিৰ্দেশ দিছে ।

দাৰ্শনিক কাণ্টে কল্পনাৰ এই তিনিটা বিভাজন কৰিছে : (১) সংজননাত্মক (reproductive imagination), (২) সৃজনাত্মক (productive imagination) আৰু (৩) নন্দনতাত্ত্বিক (aesthetic imagination) । ইয়াৰে প্ৰথম প্ৰকাৰ ক'লৰিজৰ 'fancy'ৰ সমজাতীয়, দ্বিতীয় প্ৰকাৰ ক'লৰিজৰ 'primary imagination'অৰ সমগোত্ৰীয় ।

ৱৰ্ডছৱৰ্থে কল্পনাক 'সৰ্বোত্তম ধী-শক্তি, স্বচ্ছতম অন্তৰ্দৃষ্টি, মনৰ পৰিস্ফুৰণ আৰু সমুন্নত চিন্তা' বুলিছিল ।

( ……Imagination, which, in truth,
Is but another name for absolute power
And clearest insight, amplitude of mind,
And Reason in her most exalted mood'

—'The Prelude' Bk XIV)

মাইকেল মধুসূদন দত্তই 'মেঘনাদবধ কাব্য'ৰ প্ৰথম সৰ্গত কল্পনাক 'মধুকৰী' বুলিছে ; মৌমাখিয়ে 'ফুলবন মধু'ৰ সহায়ত মধুচক্ৰ ৰচনা কৰাদি, কল্পনায়ো 'কবিচিত্ত'ৰ ভাবলোকৰপৰা বিচিত্ৰ অভিজ্ঞতা, বিভিন্ন তথ্য, অভিনৱ সাদৃশ্যৰ সন্ধান কৰি ৰস সৃষ্টি কৰে ।

**কল্পনা ঃ** 'কল্পনা' হৈছে মানুহৰ জন্মগত প্ৰবৃত্তিক সূক্ষ্মৰূপত, শিল্পীত ৰূপত প্ৰকাশৰ অন্যতম বাহন। ই মানুহৰ মগজুক এনেভাৱে নিয়ন্ত্ৰিত কৰে যে মগজুৰ চিন্তাশক্তিয়ে

স্বয়ংক্রিয়ভাবে এখন বিচিত্র জগতত পৰিভ্ৰমণ কৰে আৰু সৃষ্টিশীল কলাকাৰৰ বাবে প্ৰয়োজনীয় কলাৰ বিভিন্ন ৰূপসমূহক সাকাৰ ৰূপ প্ৰদান কৰাত নিয়ন্ত্ৰকৰ ভূমিকা গ্ৰহণ কৰে। কবিতা, সঙ্গীত, চিত্ৰ, স্থাপত্য, ভাস্কৰ্য প্ৰভৃতি সুকুমাৰ কলাৰ প্ৰতিটো অঙ্গৰেই ইটোৰ সৈতে সিটোৰ অঙ্গাঙ্গী সম্পৰ্ক আছে। সৃষ্টিশীল কলাকাৰসকলে এই সমগ্ৰতাৰ মাজত একতাৰ সন্ধান কৰে, তেওঁলোকৰ সৃষ্টি-উন্মেষী কল্পনাক নিয়ন্ত্ৰণ কৰে আৰু কলাক যুগজয়ী ৰূপ প্ৰদান কৰে। কল্পনাৰ সৈতে বুদ্ধি, প্ৰতিভা আৰু সৃজনী ক্ষমতাৰ গভীৰ সম্পৰ্ক আছে। যিসকল জন্মগত সৃজনী-প্ৰতিভাৰ অধিকাৰী, তেওঁলোকৰ বাবেও সৃষ্টিকৰ্মত কল্পনাৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি।

সংজ্ঞাৰ দিশৰ পৰা চাবলৈ গ'লে ক'ব পাৰি যে—

'imagination is the ability to create mental pictures or new ideas'. অৰ্থাৎ, কল্পনা হৈছে মানসিক শক্তি যাৰ যোগেদি মানসিক চিত্ৰ অথবা নতুন ধাৰণা সৃষ্টি কৰিব পাৰি।

It is the part of the mind that uses this ability 'অৰ্থাৎ, কল্পনা হৈছে মনৰ অন্তৰ্নিহিত শক্তি, যি কোনো বিশেষ দিশত সামৰ্থ্য অৰ্জন কৰিবলৈ সক্ষম।'

মেৰিয়াম কেবষ্টাৰৰ মতে কল্পনা হ'ল — 'the act of power forming a mental image of something not present to the sense or never before wholly perceived in reality.' অৰ্থাৎ, কল্পনা হৈছে কোনো বিশেষ বস্তুৰ মানসিক ছবি অংকনৰ ক্ষমতা, যিটো আগতে অনুভূতিত নাছিল অথবা যিটো কেতিয়াও বাস্তৱত হাত ধৰা দিয়া নাছিল।

কল্পনা হৈছে সৃজনীশীল শক্তি (creative ability)। ই মানুহৰ মনৰ এক অন্তৰ্নিহিত ক্ষমতা যি কোনো এটা সমস্যাৰ সৈতে সাহসেৰে মুখামুখি হ'ব পাৰে, কল্পনাৰ অৰ্থপূৰ্ণ প্ৰয়োগে সমস্যাৰ সমাধানত সহায় কৰে ঃ

'ability to confront and deal with a problem : resourcefulness use your imagination and get us out of here.'।

মানুহৰ মগজু সকলো সময়তে সক্ৰিয় হৈ থাকে। বৰ্হিজগতৰ বিভিন্ন শব্দসম্ভাৰ দেখি, শুনি, উচ্চাৰণ কৰি তাৰ যোগেদি মগজুৱে নিজকে সক্ৰিয় কৰি ৰাখে। মগজুৰ নিৰ্দিষ্ট অংশত ইয়াৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া সততে সংঘটিত হয়। সৃষ্টিশীল সাহিত্যৰ সৈতে জড়িত ব্যক্তিসকলে তেওঁলোকৰ নিৰ্দিষ্ট সৃষ্টিকৰ্মৰ কাৰণে মগজুত ধ্বনিত-প্ৰতিধ্বনিত

হোৱা এই শব্দসমূহৰ মাজৰ পৰাই উপযুক্ত শব্দসম্ভাৰ নিৰ্বাচন কৰি তাৰে নিজৰ সৃষ্টিকাৰ্যত ব্ৰতী হয় আৰু নিজস্ব সৃজনীপ্ৰতিভাৰ কৌশল খটুৱাই শিল্পকৰ্ম প্ৰস্তুত কৰে।

মানুহে নিজৰ জ্ঞানেন্দ্ৰিয়সমূহৰ যোগেদি লাভ কৰা অভিজ্ঞতায়ো সৃষ্টিশীল মনক অনুপ্ৰাণিত কৰে। দেখা, শুনা, স্পৰ্শ কৰা ইত্যাদি বিভিন্ন কাৰ্যৰ যোগেদি মানুহৰ যি উপলব্ধি হয়, সেই উপলব্ধিৰ সমান্তৰালভাৱে যেতিয়া অনুভূতি জাগ্ৰত হয়, তেতিয়া কল্পনাশক্তিয়ে নিৰন্তৰ সৃষ্টিত ব্ৰতী হয়। সৃষ্টিকাৰ্যৰ ধাৰাবাহিকতাই মানুহৰ মগজুক জাগ্ৰত কৰে, পৰিশীলিত কৰে আৰু সৃষ্টি-উন্মেষী মনক নিৰন্তৰ সৃষ্টিৰ প্ৰেৰণা প্ৰদান কৰে। সেইবাবেই কল্পনাপ্ৰৱণ ব্যক্তিসকল মূলতঃ ভাববাদী হোৱা দেখা যায়।